Acc.No: 25

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

# দক্ষিণ কামৰূপ ছোৱালী কলেজত যুৱ সংসদ মহোৎসৱ

নিয়মীয়া বাৰ্তা, মিৰ্জা, ২৯ জানুৱাৰী ঃ কেন্দ্ৰীয় যুৱ আৰু ক্ৰীড়ামন্ত্ৰী ৰাজ্যবৰ্ধন ৰাথোৰৰ দ্বাৰা ঘোষিত 'ৰাষ্ট্ৰীয় যুৱ সংসদ উৎসৱ-২০১৯' যোৱা ১২ জানুৱাৰীত দেশজুৰি উদ্‌যাপনৰ লগত সংগতি ৰাখি কামৰূপ জিলা ভিত্তিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জাত বিশ্ববিদ্যালয় অনুদান আয়োগৰ সহযোগত উদ্‌যাপন কৰা হয়। উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'মন কী বাত'ৰ জৰিয়তে দেশৰ যুৱ সমাজক ৰাষ্ট্ৰই সন্মুখীন হোৱা জ্বলন্ত সমস্যা সন্দৰ্ভত জনমত গঠনৰ বাবে জনোৱা আহ্বান অনুসৰি, যোৱা ১২ জানুৱাৰীৰ পৰা এই মহোৎসৱ অনুষ্ঠিত হৈ আহিছিল। ভাৰত চৰকাৰৰ কেন্দ্ৰীয় যুৱ আৰু ক্ৰীড়া মন্ত্ৰালয়ে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জাক কামৰূপ জিলা ভিত্তিত এই মহোৎসৱ পালনৰ বাবে নিৰ্বাচিত কৰাত কালি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ দ্বাৰা এই মহোৎসৱ দুটা পৰ্যায়ত সম্পন্ন হয়। যোৱা ১৭, ১৮ আৰু ১৯ জানুৱাৰীত অনুষ্ঠিত বাছনি প্ৰক্ৰিয়া অনুসৰি, কামৰূপ জিলাৰ ৯খন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু নেহৰু যুৱ কেন্দ্ৰৰ যুৱকসকলৰ ভিতৰত ৫০গৰাকী অংশগ্ৰহণকাৰীক জিলা পৰ্যায়ৰ মূল যুৱ মহোৎসৱৰ বাবে নিৰ্বাচিত কৰা হয়। উক্ত নিৰ্বাচিত যুৱ প্ৰতিনিধি আৰু ডিজিটেল পদ্ধতিৰে বাছনি কৰা আন ২০গৰাকীসহ মুঠ ৭০গৰাকী যুৱ সংসদে অংশগ্ৰহণ কৰা এই মহোৎসৱ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে। এই অনুষ্ঠানত উপস্থিত থাকে এচিএছ বিষয়া দৰথী চুছিয়াং; পলাশবাৰী পৌৰসভাৰ সভাপতি ৰাতুল শৰ্মা, মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° জাহ্নৱী দেৱী, অৱসৰপ্ৰাপ্ত সামৰিক বিষয়া চুধান্না চন্দ্ৰ কলিতা, পলাশবাৰী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পৰেশ কলিতা আদিৰ লগতে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা শিক্ষক প্ৰতিনিধি তথা ছাত্ৰ-ছাত্ৰীয়ে। শেষত আদৰণী ভাষণ আগবঢ়োৱা মহাবিদ্যালয়খনৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাৰ্যবাহী বিষয়া তথা অধ্যাপিকা ড° মিতালী খাটনিয়াৰে শলাগৰ শৰাই আগবঢ়ায়।

NIYOMIYA BARTA = 30 - January - 2019 . P = 9

নিয়মীয়া বাৰ্তা = ৩০ জানুৱাৰী - ২০১৯. পৃঃ ৯

Acc.No: 26

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# National Youth Parliament Fest held at Mirza college

ANN SERVICE

MIRZA, Jan 30: National Youth Parliament Festival, which is sponsored by the National Social Service Scheme of the Union Ministry of Youth Affairs and Sports was held at the DK Girls' College here on Monday with a day-long programme.

It is on record that Prime Minister Narendra Modi shared the ideas espoused by youth in his 'Mann ki Baat' address on December 31, 2017. He emphasized on the idea of organising a mock parliament in every district of India covering youths between 18 and 25 years of age. He advocated sitting of youths together like done in the Parliament and holding brainstorming sessions about a new India, on finding out ways and chalking out plans to build a new India of dreams of the freedom fighters.

Union Minister of State for Youth Affairs and Sports Rajyavardhan Rathore declared the National Youth Parliament Festival 2019 open in order to materialise the suggestion of Prime Minister Narendra Modi.

Significantly, DK Girls' College of Mirza was selected and approved as a nodal institution by the Union Ministry of Youth Affairs and Sports for organising walk-in screening for selection of youths and holding of District Youth Parliament within Kamrup district.

As a consequence, DK Girls' College conducted the Kamrup district-level Youth Parliament Festival in two phases.

During the first phase, i.e., walk-in screening, which was held from January 17 to 19, students from nine colleges and youths from Nehru Yuva Kendra participated and altogether 50 participants were selected to the main district-level Youth Parliament.

The main district-level Youth Parliament (second phase of the programme ) was held yesterday at the DK Girls' College. Altogether, 70 students participated in the Kamrup district-level Youth Parliament and shared their views as youth parliamentarians in the mock parliament sessions held at the DK Girls' College, Mirza.

Out of the 70 participants, 20 were selected digitally through registration of participants and uploading of content through *You Tube* video on mygov portal.

THE ASSAM TRIBUNE = 31 January - 2019 . P= 8

Acc.No:→ 27

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

# দঃ কামৰূপ ছোৱালী কলেজত বক্তৃতানুষ্ঠান

**প্ৰতিদিন বিশেষ সংবাদ, ছয়গাঁও, ২৮ ফেব্ৰুৱাৰী ঃ** দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ উদ্যোগত আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়খনৰ প্ৰাংগণত 'উচ্চ শিক্ষাত তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ' শীৰ্ষক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। এই বক্তৃতানুষ্ঠানত আমন্ত্ৰিত বক্তা হিচাপে উপস্থিত থাকে শ্ৰীলংকাস্থিত ছাউথ ইষ্টাৰ্ন ইউনিভাৰ্ছিটিৰ প্ৰবক্তা ড° এফ এইচ এ শ্বিবলী। দিনৰ এঘাৰ বজাৰ পৰা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীৰ সঞ্চালনাত অনুষ্ঠিত বক্তৃতানুষ্ঠানত প্ৰবক্তা ড° শ্বিবলীয়ে ইণ্টাৰনেট, ই-বুক, বিভিন্ন ৱেবছাইট আদিৰ ব্যৱহাৰৰ ইতিবাচক আৰু নেতিবাচক দিশ সম্পৰ্কে ব্যাখ্যা কৰে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ক আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত ভৱিষ্যতে সহায় কৰি যোৱাৰো তেওঁ আশ্বাস দিয়ে। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূঞাই আদৰণী ভাষণ দিয়া অনুষ্ঠানটোত কেইবাগৰাকী ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাই বক্তাগৰাকীক আলোচ্য বিষয় সন্দৰ্ভত প্ৰশ্ন কৰে। উল্লেখযোগ্য যে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ে অহা বৰ্ষৰ পৰা বিজ্ঞান শাখা আৰম্ভ কৰাৰ বাবে ইতিমধ্যে ২ কোটিৰ অনুদান লাভ কৰিছে।

ASOMIYA PRATIDIN = 01 March 2019 . P = 11

অসমীয়া প্ৰতিদিন = ০১ মাৰ্চ - ২০১৯ . পৃ = ১১

Acc.No: 28

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ উদ্যোগত স্বাস্থ্য সজাগতা সভা

মির্জাৰ প্ৰতিবেদক, ২৪ জুন ঃ স্বাস্থ্য সম্পৰ্কে সজাগতা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি অলপতে মির্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ উদ্যোগত আই কিউ এ চিৰ সহযোগত মির্জাৰ পৰা ৮ কিলোমিটাৰ দূৰত্বত অৱস্থিত চল্লি গাঁৱত স্বাস্থ্য সজাগতা সভা এখন অনুষ্ঠিত হৈ যায়। এই কাৰ্যসূচীত সহযোগিতা আগবঢ়ায় ভাৰত চৰকাৰৰ ডি বি টিৰ অধীনত গৱেষণা কৰা যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ যক্ষ্মা ৰোগ বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ মিহিৰ কুমাৰ গোস্বামী আৰু তেওঁৰ সহযোগী দলে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা জিনু দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা স্বাস্থ্য সজাগতা সভাত কেইবাগৰাকী চিকিৎসক থকাৰ উপৰি ৩ শতাধিক মহিলাই অংশ গ্ৰহণ কৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে ডাঃ মিহিৰ কুমাৰ গোস্বামীয়ে গৱেষণা কৰি থকা 'পেৰাগনিমিয়াচিচ' ৰোগবিধ কেঁকোৰা খাদ্য হিচাপে গ্ৰহণৰ পৰা উদ্ভৱ হয় বুলি উল্লেখ কৰে। যক্ষ্মাসদৃশ এই ৰোগৰ প্ৰাথমিক চিকিৎসা সন্দৰ্ভত তেওঁ বিস্তৃতভাৱে কয়।

AMAR ASOM = 25 June 2019. P = 7

আমাৰ অসম = ২৫ জুন ২০১৯. পৃঃ = ৭

Acc.No: - 29

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

### গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণসংযোগ বিভাগৰ স্নাতক পৰীক্ষা

# দক্ষিণ কামৰূপ ছোৱালী কলেজৰ প্ৰতিভাৰ শীৰ্ষস্থান

## মিৰ্জা-দুধনৈত আনন্দৰ বন্যা



প্ৰতিদিন বিশেষ সংবাদ, ছয়গাঁও, ১৭ জুলাই ঃ আজি ঘোষণা কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণসংযোগ বিভাগৰ স্নাতক পৰীক্ষাৰ চূড়ান্ত ফলাফলত কামৰূপ জিলাৰ মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী প্ৰতিভা ভট্টাচাৰ্যই প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিছে। ছাত্ৰীগৰাকীৰ এই সাফল্যই আজি মহাবিদ্যালয়খনত আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে ছাত্ৰীগৰাকীক অভিনন্দন জনোৱাৰ লগতে মহাবিদ্যালয়খনৰ গণসংযোগ বিভাগৰ এই সাফল্যত সন্তোষ প্ৰকাশ কৰে। উল্লেখযোগ্য যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণসংযোগ বিভাগৰ স্নাতক পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰা ছাত্ৰী প্ৰতিভা ভট্টাচাৰ্য গোৱালপাৰা জিলাৰ দুধনৈ নিবাসী অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰতাপ ভট্টাচাৰ্য আৰু তাপসী ভট্টাচাৰ্যৰ একমাত্ৰ কন্যা। এই ফলাফলত বাৰুকৈয়ে সন্তুষ্ট প্ৰতিভাই তেজপুৰ বিশ্ববিদ্যালয়ত একে বিভাগত স্নাতকোত্তৰ ডিগ্ৰী পঢ়ি ভৱিষ্যতে বৈদ্যুতিন মাধ্যমৰ এগৰাকী সফল সাংবাদিক হোৱাৰ সপোন পুহি ৰখাৰ কথা ব্যক্ত কৰে। প্ৰতিভাৰ এই সাফল্যত দুধনৈবাসীও আনন্দিত হৈ পৰিছে।

ASOMIYA PRATIDIN = 18 - July - 2019. P. = 7

অসমীয়া প্ৰতিদিন = ১৮ জুলাই - ২০১৯ . পৃঃ = ৭

Acc.No: 30

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★




দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা, বুধবাৰে।

DAINIK AGRADOOT = 22 August, 2019. P=8

দৈনিক অগ্ৰদূত = 22 আগষ্ট, ২০১৯. পৃ: ৮

Acc.No: 31

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza



মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা অনুষ্ঠানত নৃত্য পৰিৱেশন কেইগৰাকীমান ছাত্ৰীৰ

AMAR ASOM. 23 August, 2019. P-10

আমাৰ অসম. ২৩ আগষ্ট, ২০১৯. পৃঃ ১০

Acc.No: 32

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

### দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ পঞ্চাশ হেজাৰ প্ৰদান

**প্ৰতিদিন বিশেষ সংবাদ, ছয়গাঁও, ২৭ আগষ্ট ঃ** কামৰূপ জিলাৰ মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা যোৱা ২১ আগষ্টত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে। ইয়াৰ পিচতে স্মৃতি তৰ্পণ, ছহিদ তৰ্পণ, প্ৰাচীৰ পত্ৰিকা উন্মোচন আৰু সাংস্কৃতিক মঞ্চ মুকলি কৰা হয়। উক্ত মঞ্চতেই ন-পুৰণি ছাত্ৰীৰ দ্বাৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। বিয়লি অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত অসম বিত্তীয় নিগমৰ অধ্যক্ষ বিজয় গুপ্তা, স্থানীয় বিধায়ক প্ৰণৱ কলিতা তথা দক্ষিণ কামৰূপ অঞ্চলৰ উদ্যোগী মহিলা অলকা দাসক সম্বৰ্ধনা জনোৱা হয়। সভাতেই মহাবিদ্যালয়খনৰ তৰফৰ পৰা অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীৰ দ্বাৰা মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ পঞ্চাশ হেজাৰ টকাৰ চেক এখন বিজয় গুপ্তাৰ জৰিয়তে প্ৰেৰণ কৰা হয়। তদুপৰি কণ্ঠশিল্পী দীপলীনা ডেকাৰ গান, অভিনেত্ৰী অমৃতা গগৈৰ নৃত্য আৰু সংলাপে উপস্থিত ছাত্ৰী তথা দৰ্শকক আপ্লুত কৰে।

ASOMIYA PRATIDIN = 28, August - 2019 . P-14
অসমীয়া প্ৰতিদিন = ২৮ আগষ্ট, ২০১৯. পৃ: -১৪

Acc.No: 33

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

# মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত ৰেগিংবিৰোধী সজাগতা সভা




নিয়মীয়া বাৰ্তা, ৰামপুৰ, ২৯ আগষ্ট ঃ কামৰূপ জিলা আইন সেৱা প্ৰাধিকাৰী (আমিনগাঁও)ৰ উদ্যোগত আৰু স্বেচ্ছাসেৱী সংগঠন নেপচুনৰ সহযোগত আজি মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত এখন ৰেগিংবিৰোধী সজাগতা সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ অধ্যাপিকা ড° মিতালী কাঠকটীয়াৰ সভাপতিত্বত অনুষ্ঠিত এই সজাগতা সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ছয়গাঁও মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক উপেন ডেকাই ৰেগিঙৰ ইতিহাস আৰু ভয়াৱহতা সম্পৰ্কে বিশদ ব্যাখ্যা আগবঢ়ায়। ভাষণ প্ৰসংগত ডেকাই সামাজিক ব্যাধিস্বৰূপ ৰেগিং কিদৰে নিৰ্মূল কৰিব পাৰি আৰু এই সম্পৰ্কে অসমকে ধৰি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্য আৰু উচ্চতম ন্যায়ালয়ে প্ৰণয়ন কৰা আইন সম্পৰ্কেও বিভিন্ন তথ্য দাঙি ধৰে। সভাত আন এজন সমল ব্যক্তি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়াই সমাজকৰ্মী অপূৰ্ব গোস্বামীয়ে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূঞাও উপস্থিত থকা এই সভাত আইন সেৱা প্ৰাধিকাৰী কাৰ্যালয়ৰ ৰনজিৎ কলিতা আৰু স্বেচ্ছাসেৱী সংগঠন নেপচুনৰ ত্ৰৈলোক্য দাসেও ভাষণ ৰাখে। এই সজাগতা সভাখনত মহাবিদ্যালয়খনৰ বহুসংখ্যক ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

NIYOMIYA BARTA. 30 August, 2019. P=4

নিয়মীয়া বাৰ্তা = ৩০ আগষ্ট, ২০১৯. পৃ=৪

Acc.No: 34

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত ৰেগিংবিৰোধী সজাগতা সভা সম্পন্ন

**পলাশবাৰীৰ প্ৰতিবেদক, ৩০ আগষ্ট ঃ** কামৰূপ জিলা আইন সেৱা প্ৰাধিকাৰী(আমিনগাঁও)ৰ উদ্যোগত আৰু স্বেচ্ছাসেৱী সংগঠন 'নেপচুন'ৰ সহযোগত ২৯ আগষ্টত পলাশবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত ৰেগিংবিৰোধী সজাগতা সভা এখন অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়খনৰ অধ্যাপিকা ড° মিতালী কাঠকটীয়াৰ সভাপতিত্বত অনুষ্ঠিত এই সজাগতা সভাখনত সমলব্যক্তি হিচাপে উপস্থিত থাকি ছয়গাঁও মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক উপেন ডেকাই ৰেগিঙৰ ইতিহাস আৰু ভয়াৱহতা সম্পৰ্কে ব্যাখ্যা কৰে। ভাষণ প্ৰসংগত ডেকাই সামাজিক ব্যাধিস্বৰূপ ৰেগিং কিদৰে নিৰ্মূল কৰিব পাৰি আৰু এই সম্পৰ্কে অসমকে ধৰি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্য আৰু উচ্চতম ন্যায়ালয়ে প্ৰণয়ন কৰা আইন সম্পৰ্কেও বিভিন্ন তথ্য দাঙি ধৰে। সভাত আন এজন সমলব্যক্তি হিচাপে উপস্থিত থাকি বক্তব্য ৰাখে সমাজকৰ্মী অপূৰ্ব গোস্বামীয়ে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূএগ্ৰাও উপস্থিত থকা এই সভাত আইন সেৱা প্ৰাধিকাৰী কাৰ্যালয়ৰ বনজিৎ কলিতা আৰু স্বেচ্ছাসেৱী সংগঠন 'নেপচুন'ৰ ত্ৰৈলোক্য দাসেও ভাষণ ৰাখে।

AMAR ASOM = 31 August, 2019. P=7

আমাৰ অসম = ৩১ আগষ্ট, ২০১৯. পৃঃ ৭

Acc.No: 35

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

## দক্ষিণ কামৰূপ ছোৱালী কলেজৰ অভিভাৱক সন্থা

# ১৪ ছেপ্টেম্বৰত বাৰ্ষিক সভা

**প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ১২ ছেপ্টেম্বৰ ঃ** মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অভিভাৱক সন্থাৰ বাৰ্ষিক সভাখন অহা ১৪ ছেপ্টেম্বৰত মহাবিদ্যালয়ত দিনৰ এক বজাত অনুষ্ঠিত হ'ব। উক্ত সভাতে পুৰণি সমিতি ভংগ কৰি নতুন সমিতি গঠন কৰা হ'ব। তদুপৰি সভাখনত বছৰেকীয়া হিচাপো দাখিল কৰা হ'ব। সেয়েহে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অভিভাৱকসকলক উক্ত সভাত উপস্থিত থাকিবলৈ সভাপতি-সম্পাদকে অনুৰোধ জনাইছে। উল্লেখযোগ্য যে মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নয়নৰ উদ্দেশ্যে ২০১৮-১৯ বৰ্ষত গঠন কৰা হয় অভিভাৱক সন্থাটো। সদস্যভৰ্তি বৰঙণিৰে গঠিত পুঁজিৰ পৰাই ২১ আগষ্টত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১৫ হেজাৰ টকা আগবঢ়ায় সন্থাই।

ASOMIYA PRATIDIN = 13th September, 2019. P = 2

অসমীয়া প্ৰতিদিন = ১৩ ছেপ্টেম্বৰ, ২০১৯. পৃ: 2

Acc.No: 36

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী কলেজ অভিভাৱক সন্থাৰ সভা

নিয়মীয়া বাৰ্তা, ৰামপুৰ, ২৩ ছেপ্টেম্বৰ ঃ দক্ষিণ কামৰূপৰ স্ত্ৰী-শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অভিভাৱক সন্থাৰ বাৰ্ষিক সাধাৰণ সভাখন যোৱা ১৪ ছেপ্টেম্বৰত অনুষ্ঠিত হয়। অভিভাৱক সন্থাৰ সভাপতি যুগল চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে আদৰণী ভাষণ দিয়ে। তেওঁ মহাবিদ্যালয়খনৰ সৰ্বাংগীণ বিকাশ আৰু অগ্ৰগতিৰ কাৰণে অভিভাৱকসকলৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে ভাষণত উল্লেখ কৰে। সেইদৰে অভিভাৱক সন্থাৰ সম্পাদক ৰোহিণী কুমাৰে বছৰেকীয়া সম্পাদকীয় প্ৰতিবেদন পাঠ কৰাৰ লগতে খতিয়ান দাঙি ধৰে। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূঞাই অভিভাৱক সন্থাৰ বছৰেকীয়া জমা-খৰচৰ হিচাপ পৰীক্ষকৰ দ্বাৰা দাখিল কৰে। সভাই পুৰণি কমিটী ভংগ কৰি বামুন্দী কনিষ্ঠ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হৰেশ্বৰ কলিতাক সভাপতি আৰু ৰমেশ মহন্তক সম্পাদক হিচাপে লৈ এখন ২১জনীয়া পূৰ্ণাংগ নতুন সমিতি গঠনত অনুমোদন জনায়। আঠ শতাধিক অভিভাৱক উপস্থিত থকা সভাখনত মহাবিদ্যালয়খনৰ শৈক্ষিক মানৰ লগতে প্ৰতিটো ইতিবাচক দিশত অভিভাৱকসকলে সহযোগিতা কৰিব বুলি ভাষণত উল্লেখ কৰে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি ড° মালবিকা ৰয়ৰ শলাগৰ শৰাইৰ পাছতে সভাপতিৰ ভাষণেৰে সভা ভংগ কৰা হয়।

NIYOMIYA BARTA = 24th September, 2019. P=4

নিয়মীয়া বাৰ্তা = ২৪ ছেপ্তেম্বৰ, ২০১৯. পৃ: ৪

Acc.No: 37

Dakshin Kamrup Girls' College Library
Estd. 1988
★ Mirza ★

# মির্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত প্ৰাক্তন ছাত্ৰী সমাৰোহ

**মির্জাৰ প্ৰতিবেদক, ২৩ ছেপ্টেম্বৰ ঃ** মির্জাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ উদ্যোগত প্ৰাক্তন ছাত্ৰী সমাৰোহখন ১৪ ছেপ্টেম্বৰত অনুষ্ঠিত হৈ যায়। সমাৰোহৰ. আৰম্ভণিতে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰীসকলৰ দ্বাৰা বৃক্ষৰোপণ কৰা হয়। এই কাৰ্যসূচীত শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূএগ্ৰাই। ইয়াৰ পাছত অৰ্থনীতি বিভাগৰ প্ৰাক্তন তথা সংস্থাপিত আৰু প্ৰতিষ্ঠিত ছাত্ৰীৰ অনুপ্ৰেৰণামূলক ভাষণৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান সম্পন্ন হৈ যায়। এই অনুষ্ঠানটো আৰম্ভণি কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে সভাত অংশগ্ৰহণ কৰি দক্ষিণ কামৰূপত বহল ভিত্তিত ব্যৱসায় কৰিব পৰা প্ৰচুৰ সম্ভাৱনীয় ক্ষেত্ৰসমূহ উল্লেখ কৰে আৰু আত্মনিৰ্ভৰশিলতা অৰ্জনৰ অৰ্থে প্ৰয়োজনীয় ব্যৱসায়িক বিষয় বাছি লৈ নিজকে আত্মনিয়োগ কৰিলে চৰকাৰী চাকৰি অবিহনে ছাত্ৰীসকলে অৰ্থ উপাৰ্জনৰ বাট মুকলি কৰিব পৰা যাব বুলি উল্লেখ কৰে। শেষত বৰ্ণাঢ্য কাৰ্যসূচীৰে সমাৰোহখনৰ সামৰণি পৰে।

AMAR ASOM = 24th September, 2019. P = 12
আমাৰ অসম = ২৪ ছেপ্তেম্বৰ, ২০১৯. পৃঃ = ১২

Acc.No: 38

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# Annual meet of guardians' body

GUWAHATI, Sept 24: The annual meeting of the Guardian Association of bona fide students of DK Girls' College, Mirza, was held at the college recently with Jugal Choudhury in the chair, said a press release issued here today.

Nearly 800 parents attended the meeting, where the inaugural speech was delivered by the Principal Dr Gajenndra Adhikary. In his speech, Dr Adhikary said that for overall development of any institution, cooperation of parents is highly essential. He urged the guardians to help in leading the institution to a higher pedestal.

President of the meeting Choudhury stated that guardians have to play an important role in the present educational scenario.

The annual audit of the previous year was presented by Vice Principal Dr Ranjan Bhuyan. From the guardians' side, many offered suggestions for the enhancement of the college's academic atmosphere and also suggested banning the use of mobile phones by students in the campus.

In the meeting a new committee was formed with Hareswar Kalita, Principal i/c of Bamundi Junior College and Ramesh Mahanta as president and secretary respectively.

The Assam Tribune = 25th September, 2019. P=12

Acc.No: 39

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সোণালী জয়ন্তী

**মিৰ্জাৰ প্ৰতিবেদক, ২৭ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ স্ত্ৰী -শিক্ষাৰ অগ্ৰণী শিক্ষানুস্থান মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰীসকলৰ উপস্থিতিত ২৪ ছেপ্টেম্বৰত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ দ্বাৰা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ৫০ বছৰীয়া সোণালী জয়ন্তী উদ্‌যাপন কৰা হয়। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ পতাকা উত্তোলনেৰে দিনজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে। অধ্যক্ষগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে যে শিক্ষাৰ্থীসকলে সমাজ সেৱাৰ মাধ্যমেৰে সমাজলৈ আগবঢ়োৱা বৰঙণিৰ শলাগ লয় আৰু ভৱিষ্যতে নিঃস্বাৰ্থভাৱে আগবাঢ়ি যাবলৈ আহ্বান জনায়। ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ প্ৰাচীৰ পত্ৰিকা 'পোহৰ' উন্মোচন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰঞ্জন ভূঞাই। এই সোণালী জয়ন্তী উপলক্ষে পুৰা গছপুলি ৰোপণ কাৰ্যসূচী সম্পাদন কৰা হয়। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ বিভিন্ন দিশ সম্পৰ্কে বক্তব্য আগবঢ়ায় মহাবিদ্যালয়ৰ মুখ্য সহায়ক নিৰল শৰ্মাই। ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ বিষয়া অধ্যাপিকা ড° মিতালী কাঠকটীয়াই এই অনুষ্ঠানটো পৰিচালনা কৰে। শেষত বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰে সফল সামৰণি পৰে।

AMAR ASOM = 28th September, 2019 . P = 6

আমাৰ অসম = ২৮ ছেপ্তেম্বৰ, ২০১৯. পৃঃ-৬

Acc.No: 40

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# Woes of State's college libraries discussed

STAFF REPORTER

GUWAHATI, Nov 18: The problems and challenges faced by the college libraries of Assam were discussed thoroughly during the 5th annual conference of the Assam College Librarians' Association (ACLA) held at Dakshin Kamrup Girls College, Mirza on Saturday.

The programme started with hoisting of the flags of ACLA and D K Girls College by Madhab Bora, president of ACLA and Dr Gajendra Adhikary, Principal of the host college respectively. An executive meeting of ACLA was also held before start of the session.

The ACLA members forwarded their suggestions on how to further strengthen the college libraries. Dr Prasanta Kumar Deka spoke on the activities taken up by the association since October 2018. Dr Deka appreciated the work of ICT Cell, ACLA under its convener Dr Birender Pal.

The open session of the event was attended by Biswajit Bhuyan, president, Assam College Teachers' Association (ACTA); Prasanta Rajguru, Editor of *Amar Asom*; Dr Adhikary and others.

Rajguru spoke on the importance of libraries for students and citizens. Biswajit Bhuyan spoke on the Draft National Education Policy-2019 and its impact on higher educational institutions.

More than 80 college librarians from different corners of the State took part in the event.

The Assam Tribune = 19 November, 2019. P=5